**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 30-10-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটলৈ যাব।

২। প্ৰধানমন্ত্ৰীয়ে কাইলৈ নতুন দিল্লীত আয়োজিত আন্তঃৰাষ্ট্ৰীয় আৰ্য শীৰ্ষ সন্মিলন-২০২৫ ত অংশগ্ৰহণ কৰিব।

৩। নিৰ্বাচন আয়োগে জনসাধাৰণৰ সকলো ধৰণৰ প্ৰশ্ন আৰু ওজৰ-আপত্তিৰ নিষ্পত্তিৰ বাবে সকলো হেল্পলাইন সক্ৰিয় কৰি তুলিছে।

৪। গোৱাত হ'বলগীয়া ৫৬ সংখ্যক চলচ্চিত্ৰ মহোৎসৱত ভাগ লোৱাৰ উদ্দেশ্যে সংবাদ মাধ্যমৰ কৰ্মীসকলৰ বাবে বিশেষ পঞ্জীয়ন মুকলি কৰা হৈছে। ***আৰু***

৫। ভাৰত আজি মহিলাৰ আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত অষ্ট্ৰেলিয়াৰ মুখামুখি হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটলৈ যাব। ভ্ৰমণকালত শ্ৰীমোদীয়ে আজি কেৱড়িয়াৰ একটা নগৰত এহেজাৰ ১৪০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান আন্তঃগাঁথনি আৰু উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰিলগীয়া প্ৰকল্পসমূহৰ ৰাজপিপলাৰ  ভিতৰত বিৰছা মুণ্ডা জনজাতীয় বিশ্ববিদ্যালয়, ৰামন বৃক্ষ বাতিকা, বৈদ্যুতিক বাছ চাৰ্জিং ডিপো আৰু ২৫খন বৈদ্যুতিক বাছৰ সেৱা অন্যতম। ইয়াৰ উপৰিও শ্ৰীমোদীয়ে ভাৰতৰ ৰাজকীয় সংগ্ৰহালয়, ক্ৰীড়া চৌহদ, শুলপানেশ্বৰ ঘাটৰ সমীপত অৱতৰণ সেতুৰ উন্নয়ন আৰু একতাৰ প্ৰতিমূৰ্তিত ট্ৰেভেলেতৰ অৰ্থাৎ ঘূৰ্ণিয়মান পথসহ ভালেমান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

কাইলৈ প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় একতা দিৱস উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰিব আৰু চৰ্দাৰ বল্লভভাই পেটেলৰ জন্ম বাৰ্ষিকী উপলক্ষে নেতাগৰাকীৰ প্ৰতি পুষ্পাৰ্ঘ্য নিবেদন কৰিব। তেওঁ লগতে একতা দিৱসৰ সংকল্প আৰু কুচ-কাৱাজতো ভাগ ল'ব। এইবেলি একতা দিৱসৰ কুজ-কাৱাজৰ মুখ্য আকৰ্ষণ সীমা সুৰক্ষা বাহিনীৰ মাৰ্চিং দল হ'ব। এই দলত ৰামপুৰ হাউণ্ডছ আৰু মুঢল হাউণ্ডছৰ দৰে ভাৰতীয় প্ৰজাতিৰ কুকুৰ অন্তৰ্ভুক্ত হ'ব।

ooooo

প্ৰধানমন্ত্ৰীয়ে কাইলৈ নতুন দিল্লীত আয়োজিত আন্তঃৰাষ্ট্ৰীয় আৰ্য শীৰ্ষ সন্মিলন-২০২৫ ত অংশগ্ৰহণ কৰিব। মহৰ্ষি দয়ানন্দ সৰস্বতীৰ ২০০ বছৰীয়া জয়ন্তী আৰু আৰ্য সমাজৰ সেৱাৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এই সন্মিলনৰ আয়োজন কৰা হৈছে। সন্মিলনৰ লগত সংগতি ৰাখি সেৱাৰ স্বৰ্ণিল ডেৰশ বছৰ শীৰ্ষক এখন প্ৰদৰ্শনী অনুষ্ঠিত হ'ব। এই প্ৰদৰ্শনীত শিক্ষা, সামাজিক সংস্কাৰ আৰু আধ্যাত্মিক উত্থানৰ

ক্ষেত্ৰত আৰ্য সমাজৰ অৱদানৰ মাধ্যমেৰে সংস্থাটোৰ পৰিবৰ্তনকাৰী যাত্ৰাৰ বিষয়ে আলোকপাত কৰা হ'ব। এই প্ৰদৰ্শনীত দেশ-বিদেশৰ আৰ্য সমাজৰ গোটসমূহৰ প্ৰতিনিধিবৰ্গই ভাগ ল'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি মুজাফ্‌ফৰপুৰ আৰু চাপ্ৰাত দুখন নিৰ্বাচনী সভা সম্বোধন কৰিব। মুজাফ্‌ফৰপুৰৰ জনসভাত পুৱা ১১ বজাত আৰু চাপ্ৰাৰ জনসভাৰ দিনৰ ১২ বাজি ৪৫ মিনিটত জনসাধাৰণক সম্বোধন কৰিব বুলি শ্ৰীমোদীয়ে সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও আজি পুৱা ১০ বজাত পাটনাৰ হোটেল মৌৰ্য্যত এখন সংবাদমেলত ভাগ ল'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি মুজাফ্‌ফৰপুৰ আৰু চাপ্ৰাত দুখন নিৰ্বাচনী সভা সম্বোধন কৰিব। মুজাফ্‌ফৰপুৰৰ জনসভাত পুৱা ১১ বজাত আৰু চাপ্ৰাৰ জনসভাৰ দিনৰ ১২ বাজি ৪৫ মিনিটত জনসাধাৰণক সম্বোধন কৰিব বুলি শ্ৰীমোদীয়ে সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও আজি পুৱা ১০ বজাত পাটনাৰ হোটেল মৌৰ্য্যত এখন সংবাদমেলত ভাগ ল'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি হাৰিয়ানাৰ আম্বালা আৰু কুৰুক্ষেত্ৰ অঞ্চলৰ আকাশমাৰ্গত ৰাফেল যুদ্ধবিমানৰ উৰণত অংশ লয়। সামাজিক মাধ্যমৰ এটা প'ষ্টত ৰাষ্ট্ৰপতিগৰাকীয়ে ইয়াক এটা পাহৰিব নোৱৰা অভিজ্ঞতা হিচাপে অভিহিত কৰে। তেওঁ এই পুৰণি ভূখণ্ডৰ লগতে ব্ৰহ্ম সৰোবৰক ভাৰতৰ বৈচিত্ৰপূৰ্ণ সংস্কৃতি আৰু ঐতিহাসিক যাত্ৰাৰ প্ৰতীক হিচাপে আখ্যা দিয়ে। দেশৰ সামৰিক সামৰ্থ ক্ৰমাৎ দৃঢ় হৈ উঠিছে বুলি তেওঁ মন্তব্য কৰে।

ooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে কালি তামিলনাডুৰ মাডুৰাইত থকা প্ৰখ্যাত মিনাক্ষী অম্মন মন্দিৰ পৰিদৰ্শন কৰে। তেওঁ লগতে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিন আৰু সাংসদ কানিমোঝিকো সাক্ষাৎ কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আজি ৰাজ্যখনৰ স্বাধীনতা সংগ্ৰামী পছুমপন মুথুৰামালিংগৰ জয়ন্তী উপলক্ষে ৰামনাথপুৰম জিলাৰ পছুমপন গাঁৱলৈ যাব।

ooooo

নিৰ্বাচন আয়োগে জনসাধাৰণৰ সকলো ধৰণৰ প্ৰশ্ন আৰু ওজৰ-আপত্তিৰ নিষ্পত্তিৰ বাবে ৰাষ্ট্ৰীয় ভোটদাতা হেল্পলাইন আৰু ৰাজ্যিক পৰ্যায়ৰ ৩৬টা তথা জিলা পৰ্যায়ৰ সকলো হেল্পলাইন সক্ৰিয় কৰি তুলিছে। ৰাষ্ট্ৰীয় যোগাযোগ কেন্দ্ৰই সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ বাবে কেন্দ্ৰীয় হেল্পলাইন হিচাপে কাম কৰিব। এই কেন্দ্ৰই পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ শুল্কবিহীন নম্বৰ ১৮০০-১১-১৯৫০ৰ জৰিয়তে ওজৰ-আপত্তি নিষ্পত্তিৰ ব্যৱস্থা কৰিব। নিৰ্বাচন আয়োগে প্ৰতিখন ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল আৰু জিলাক নিজৰ নিজৰ ৰাজ্য আৰু জিলা যোগাযোগ কেন্দ্ৰ স্থাপন কৰিবলৈ নিৰ্দেশ দিছে। আয়োগে বি এল অ'ৰ সৈতে **বুক এ কল** সুবিধাও আৰম্ভ কৰিছে। নাগৰিকসকলে এই সুবিধাৰ জৰিয়তে সংশ্লিষ্ট বুথ লেভেল বিষয়াৰ সৈতে সম্পৰ্ক কৰিব পাৰিব। এই সুবিধা নিৰ্বাচন সম্পৰ্কীয় ওজৰ-আপত্তি

নিষ্পত্তিৰ বৰ্তমানৰ ব্যৱস্থাৰ ওপৰঞ্চি হ'ব। জনসাধাৰণে ইমেইলযোগে COMPLAINTS@ECI.GOV.INলৈ অভিযোগ প্ৰেৰণ কৰিব পাৰিব।

০০০০০

গোৱাৰ পানাজীত অহা ২০ নৱেম্বৰৰ পৰা ২৮ নৱেম্বৰলৈ অনুষ্ঠিত হ'বলগীয়া ৫৬ সংখ্যক চলচ্চিত্ৰ মহোৎসৱত ভাগ লোৱাৰ উদ্দেশ্যে সংবাদ মাধ্যমৰ কৰ্মীসকলৰ বাবে বিশেষ পঞ্জীয়ন মুকলি কৰা হৈছে। এখন চৰকাৰী প্ৰেছ বিজ্ঞপ্তি অনুসৰি স্বীকৃতিপ্ৰাপ্ত সংবাদ মাধ্যমৰ কৰ্মীসকলে সমগ্ৰ বিশ্বৰ বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা আৰু শিল্পীসকলৰ সৈতে ছবি প্ৰদৰ্শন, পেনেল আলোচনা আৰু নেটৱৰ্কিং অধিৱেশনত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিব।

ইয়াৰ উপৰি ভাৰতীয় চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠানে অহা ১৮ নৱেম্বৰৰ পৰা স্বীকৃতিপ্ৰাপ্ত সংবাদ কৰ্মীসকলৰ বাবে চলচ্চিত্ৰ প্ৰশংসা পাঠ্যক্ৰমৰ আয়োজন কৰিছে।

০০০০০

ৰাজ্যসভাৰ উপাধ্যক্ষ হৰিবংশে কালি নতুন দিল্লীৰ সংসদ ভৱনত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য পৰিক্ৰমা সম্পৰ্কীয় ইউৰোপীয় সংসদৰ কমিটীৰ এটা প্ৰতিনিধি দলক সাক্ষাৎ কৰে। বৈঠকত দুয়োপক্ষই ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজৰ মুক্ত বাণিজ্য চুক্তি অতি সোনকালে স্বাক্ষৰিত হ'ব বুলি আশা প্ৰকাশ কৰে। বৈঠকত ৰাজ্যসভাৰ উপাধ্যক্ষগৰাকীয়ে পেহেলগামত সংঘটিত সন্ত্ৰাসবাদীৰ নৃশংস হত্যাকাণ্ডৰ পাছত জুনত ব্ৰাচেলছলৈ সংসদৰ সৰ্বদলীয় প্ৰতিনিধি দলৰ ভ্ৰমণৰ কথা সুঁৱৰে। উভয় পক্ষৰ মাজত চলি থকা নিয়মীয়া সংসদীয় বিনিময়ে ভাৰত আৰু ইউৰোপীয় সংঘৰ সহযোগিতা ত্বৰান্বিত হোৱাকে সূচায় বুলি তেওঁ মন্তব্য কৰে। ইউৰোপীয় সংঘৰ দলটোৰ সৈতে অহা সাংবাদিকৰ এটা দলে কালি ভাৰতীয় জৰুৰীকালীন কম্পিউটাৰ সঁহাৰি দলৰ সঞ্চালকপ্ৰধান ড০ সঞ্জয় বাহালকো সাক্ষাৎ কৰে। সাক্ষাৎকালত সঞ্চালকপ্ৰধানগৰাকীয়ে ভাৰতৰ চাইবাৰ সুৰক্ষা পৰিৱেশ তন্ত্ৰ ৪০০টা ষ্টাৰ্টআপ আৰু এইক্ষেত্ৰৰ প্ৰায় চাৰে ৬ লাখ কৰ্মীৰে ক্ৰমে শক্তিশালী হৈ উঠিছে বুলি মন্তব্য কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত ইলেকট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয় আৰু ভাৰতীয় জৰুৰীকালীন কম্পিউটাৰ সঁহাৰি দলে এই সাক্ষাতৰ আয়োজন কৰিছিল।

০০০০০

কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে কালি নতুন দিল্লীৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে বাণিজ্যিক কয়লা খনি চতুৰ্দশ পৰ্যায় মুকলি কৰে। এই উপলক্ষে শ্ৰীৰেড্ডীয়ে কয়, যে ব্যৱসায় সুগম কৰি তোলা, বিভিন্ন ক্ষেত্ৰৰ বাবে বিনিয়োগ আকৰ্ষণ কৰা আৰু উদ্যোগ জগতৰ ব্যাপক অংশগ্ৰহণত উদগণি যোগোৱাই এই নিলামৰ মূল উদ্দেশ্য। মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰথমবাৰৰ বাবে কয়লা আৰু খনি মন্ত্ৰালয়ে নিলামৰ পৰিকাঠামোৰ অধীনত ভূমিগত কয়লা গেছীয়কৰণৰ ব্যৱস্থা কৰিছে। শ্ৰীৰেড্ডীয়ে কয়, যে ১৪টা ৰাউণ্ডত মুঠ ৪১টা কয়লা খনিৰ প্ৰস্তাৱ দিয়া হৈছে, ইয়াৰে ২১টা খনিত ভূমিগত কয়লা গেছীয়কৰণৰ সম্ভাৱনা আছে। মন্ত্ৰীগৰাকীয়ে কয়লা শক্তি ডেচবোৰ্ডৰো শুভাৰম্ভ কৰে। এই ব্যৱস্থাই খনিৰ পৰা বজাৰলৈ কয়লাৰ যোগান শৃংখলাৰ ওপৰত নজৰ ৰখাৰ বাবে সহজ ইণ্টাৰফেচ প্ৰদান কৰিব। বাস্তৱিক সময়ৰ তথ্য বিনিময়ৰ জৰিয়তে কয়লা কোম্পানীত বন্দৰ, ৰে'লৱে আৰু শেষৰগৰাকী ব্যৱহাৰকাৰীৰ মাজত সমন্বয় উন্নত কৰাই ইয়াৰ মূল উদ্দেশ্য। অনুষ্ঠানত ৰাজহুৱা খণ্ডৰ কয়লা গোটসমূহৰ ভূমি অধিগ্ৰহণ, ক্ষতিপূৰণ আৰু পুনৰ্বাসন

প্ৰক্ৰিয়াক ডিজিটেল ৰূপ প্ৰদানৰ উদ্দেশ্যে কয়লা ভূমি অধিগ্ৰহণ ব্যৱস্থাপনা আৰু ধনাদায় পোৰ্টেল ক্লেম্পো মুকলি কৰে।

০০০০০

চত্তিশগড়ৰ বিজাপুৰ জিলাত কালি ৫৯ জন মাওবাদীয়ে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ উপ-মহাপৰিদৰ্শক ডি কে নেগী আৰু জিলাখনৰ আৰক্ষী অধীক্ষক ড০ জিতেন্দ্ৰ যাদৱৰ উপস্থিতিত আত্মসমৰ্পণ কৰে। জিলাখনৰ বাষ্টাৰ খণ্ডত সক্ৰিয়ৰূপে কাৰ্যকলাপ অব্যাহত ৰখা এই মাওবাদীকেইজনৰ বিনিময়ত ইতিমধ্যে মুঠ ৬৬ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰা হৈছিল। এই সন্দৰ্ভত আৰক্ষী অধীক্ষকগৰাকীয়ে কয়, যে ধাৰাবাহিক আত্মসমৰ্পণসমূহে জিলাখনৰ পৰিৱৰ্তিত সামাজিক পৰিৱেশ আৰু জনসাধাৰণৰ বৰ্ধিত বিশ্বাসকে প্ৰতিফলিত কৰে। এইপৰ্যন্ত জিলাখনত চলিত বৰ্ষত মুঠ ৪৬১ জন মাওবাদীয়ে আত্মসমৰ্পণৰ জৰিয়তে মূলসুঁতিলৈ প্ৰত্যাৱৰ্তন কৰিছে।

০০০০০

ভাৰত আজি মহিলাৰ আই চি চি একদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত অষ্ট্ৰেলিয়াৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ৩ বজাত নৱী মুম্বাইৰ ড০ ডি ৱাই পাটিল স্পৰ্টছ একাডেমী খেলপথাৰত আৰম্ভ হ'ব। আকাশবাণীয়ে দুপৰীয়া ২ বাজি ৩০ মিনিটৰ পৰা খেলখন সম্পূৰ্ণ হোৱালৈ হিন্দী আৰু ইংৰাজী ভাষাত চলন্ত ধাৰা বিৱৰণী সম্প্ৰচাৰ কৰিব।

ইপিনে দক্ষিণ আফ্ৰিকা প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত কালি দক্ষিণ আফ্ৰিকাই ইংলেণ্ডক ১২৫ ৰানৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত ৫০ অভাৰত ৭ উইকেটৰ বিনিময়ত ৩১৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ইংলেণ্ডে ৪২ অভাৰ আৰু ৩টা বলত ১৯৪ ৰান কৰি আটাইকেইটা উইকেট হেৰুৱায়।

০০০০০

সমাপ্ত